# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-April-2026
**Time :** 1845 HRS

# ***Assamese Evening Bulletin***

---

## **HEADLINES**
::::::::::::::::::::

১।	কিংবদন্তি গায়িকা আশা ভোশলেৰ ৯২ বছৰ বয়সত দেহাৱসান। দেশজুৰি শোকাহত অনুৰাগী।

২।	ৰঙালী বিহুলৈ মাজত এদিন বাকী থকা অৱস্থাত ৰাজ্যবাসীৰ বিহুৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ।

৩।	অহা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন।

৪।	নিৰ্বাচনী আচৰণবিধি ভংগৰ অভিযোগত মধ্য গুৱাহাটী সমষ্টিৰ এ জে পিৰ প্ৰাৰ্থী কুংকি চৌধুৰীক পাণবজাৰ আৰক্ষীৰ সোধাপোছা।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ, গুজৰাট টাইটানছক জয়ৰ বাবে ১৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

কিংবদন্তি গায়িকা তথা পদ্মবিভূষণ বঁটাৰে সন্মানিত আশা ভোশলেৰ মৃত্যুত আজি সমগ্ৰ দেশবাসী ম্ৰিয়মান হৈ পৰিছে। কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত হৈ থকা আশা ভোশলেয়ে আঠ দশকৰো অধিক কাল বলিউদৰ সংগীত জগতত বহু কালজয়ী গীতত কণ্ঠদান কৰিছিল। ৯ বছৰ বয়সত সাংস্কৃতিক যাত্ৰা আৰম্ভ কৰা সুকণ্ঠি গায়িকাগৰাকীয়ে ১৯৪৩ চনত প্ৰথমটো গীত বাণীবদ্ধ কৰিছিল। ব্ৰিটিছ সংগীতজ্ঞ বয় জৰ্জৰ সৈতে সংগীত কোলাবৰেচনৰ বাবে তেওঁ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিত হৈছিল।

*(গান)*

কিংবদন্তি গায়িকা লতা মংগেশকাৰৰ  ভগ্নী আশা ভোচলেই হিন্দী, মাৰাঠী, বাংলা, গুজৰাটী, পাঞ্জাবী, ভোজপুৰী, তামিল, মালায়ালম, অসমীয়া আৰু ইংৰাজী ভাষাকে ধৰি বিভিন্ন ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ পৰিচালনাত তেওঁ কেইবাখনো অসমীয়া ছবিতো কণ্ঠদান কৰিছিল। *(অসমীয়া গান)*

২০০৯ চনত ৱৰ্ল্ড ৰেকৰ্ডছ একাডেমী নামৰ এটা আন্তৰ্জাতিক সংগঠনে তেওঁক বিশ্বৰ সৰ্বাধিক গীত বাণীবদ্ধকৰা শিল্পী হিচাপে স্বীকৃতি দিয়ে। বোলছবি গীতৰ উপৰি পপ সংগীত, গজল, ভজন, ভাৰতীয় শাস্ত্ৰীয় সংগীত, লোকসংগীত, ৰবীন্দ্ৰ সংগীত আদি সকলো প্ৰকাৰৰ গীত গাই জনপ্ৰিয়তা অৰ্জন কৰা কোকিলকণ্ঠী

গায়িকাগৰাকীক ২০০০ চনত ভাৰত চৰকাৰে দাদা চাহেব ফাল্কে বঁটা আৰু ২০০৮ চনত পদ্ম বিভূষণ সন্মান প্ৰদান কৰে। ১৯৯৭ চনত তেওঁ প্ৰথম ভাৰতীয় হিচাপে গ্ৰেমী পুৰস্কাৰৰ বাবে মনোনয়ন লাভ কৰিছিল।

কণ্ঠ শিল্পীগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মহাৰাষ্ট্ৰৰ ৰাজ্যপাল জিষ্ণু দেৱ বৰ্মা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছকে ধৰি অন্যান্য কেন্দ্ৰীয় মন্ত্ৰী তথা বোলছবি আৰু সংগীত জগতৰ লোকসকলে গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

উল্লেখযোগ্য যে, ৯২ বছৰ বয়সত মুম্বাইত আজি দেহাৰসান ঘটা কণ্ঠশিল্পীগৰাকীক হৃদযন্ত্ৰৰ সংক্ৰমণৰ বাবে কালি সন্ধিয়া মুম্বাইৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কাইলৈ বিয়লি ৪বজাত শিৱাজী পাৰ্কত তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব। ***(গান)***

০০০০০

অহা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনত সংসদত মহিলাৰ বাবে আসন সংৰক্ষণ সংশোধনী বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সন্দৰ্ভত কয়, যে মহিলাৰ আসন সংৰক্ষণ আইন কাৰ্যকৰী কৰাৰ সময় আহি পৰিছে আৰু ২০২৯ চনৰ নিৰ্বাচনত মহিলাৰ বাবে সংৰক্ষিত আসন থাকিব বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকললৈ প্ৰেৰণ কৰা এখন পত্ৰত শ্ৰী মোদীয়ে সংশোধনী বিধেয়কখন গৃহীত কৰাৰ বাবে সকলোকে উপস্থিত থাকিবলৈ আহ্বান জনায়। 'নাৰী শক্তি বন্দন অধিনিয়ম' নামেৰে জনাজাত এই আইন সমগ্ৰ দেশজুৰি কাৰ্যকৰী হোৱা প্ৰয়োজন বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে এই আইন ৰূপায়ণৰ পাছত লোকসভাৰ সদস্যৰ সংখ্যা ৮১৬ লৈ বৃদ্ধি পোৱাৰ লগতে মহিলাৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা ২৭৩ লৈ বৃদ্ধি পাব বুলি কোৱা হৈছে। ২০২৩ চনত সংবিধান সংশোধনীৰ জৰিয়তে লোকসভা আৰু ৰাজ্য বিধানসভা সমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ কথা কোৱা হৈছিল। ইপিনে, ভাৰতীয় জনতা পাৰ্টীয়ে এই অধিৱেশনত উপস্থিত থকাৰ বাবে সকলো সদস্যক নিৰ্দেশ জাৰি কৰিছে।

০০০০০

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ লগে লগে ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ শিলিগুৰিৰ কাৱাখালিত এখন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে শিলিগুৰি কৰিড'ৰক আঞ্চলিক আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে এই অংশৰ নিৰাপত্তাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে। শ্ৰী মোদীয়ে এসময়ত এই কৰিড'ৰ বন্ধ কৰি উত্তৰ-পূৰ্বাঞ্চলক একাষৰীয়া কৰাৰ বাবে ভাবুকি প্ৰদান কৰা সকলক শাসনত থকা তৃণমূল কংগ্ৰেছে সমৰ্থন কৰে বুলি অভিযোগ তোলে। তেওঁ লগতে পশ্চিমবংগ চৰকাৰে মাদ্ৰাছা শিক্ষাৰ বিকাশৰ বাবে ছহেজাৰ কোটি টকাৰ অনুমোদন জনোৱাৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলৰ দুৱাৰমুখ উত্তৰবংগৰ বাবে বাজেটত বিত্তীয় অনুমোদন জনোৱাত বিফল হোৱা বুলিও অভিযোগ কৰে।

উল্লেখযোগ্য যে, ৰাজ্যখনত দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। এই পৰ্যায়ত ১ হাজাৰ ৪৬৩ খন মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে। অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্য্যায়ত ১৪২ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইপিনে, ৰাজ্যখনৰ ১৬ খন জিলাৰ ১৫২ টা সমষ্টিত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তুংগত উঠিছে। এই পৰ্যায়ত ১ হাজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

০০০০০

হেঁপাহৰ ৰঙালী বিহুলৈ এদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। উজনিৰ পৰা নামনিলৈ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা প্ৰায় সম্পূৰ্ণ হৈছে। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। পৰহিলৈ অসমবাসীয়ে গৰু বিহুৰ দিনা পৰম্পৰাগত ৰীতি-নীতিৰে গৰুক গা ধুৱাই গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিব। বুধবাৰে মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাচিব।

চৰাইদেউ জিলাত অসমীয়াৰ প্ৰাণৰ স্পন্দন ৰঙালী বিহুক আদৰিবলৈ গাঁৱে-নগৰে প্ৰস্তুতি চলিছে। নিশাৰ ভাগত ঢোল-পেঁপাৰ শব্দই চৌদিশ মুখৰিত কৰি তুলিছে। জিলাখনৰ কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। জিলাখনত বিহুৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা নবুল কোঁৱৰ –

বাইট

সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসীৰ সহযোগত ২৫ এপ্ৰিলৰ পৰা ২৭ এপ্ৰিললৈ ৰঙালী উৎসৱৰ আয়োজন কৰা হৈছে। আজি চৌকিদিঙী খেলপথাৰত উৎসৱৰ লাইখুঁটা স্থাপন কৰা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো ডিব্ৰুগড় ছাত্ৰ সন্থাই তিনিগৰাকী বিশিষ্ট ব্যক্তি, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ দেৱব্ৰত ভঁৰালী, বিশিষ্ট চিকিৎসক সৰ্বেশ্বৰ ভূঞা আৰু নাট্যকাৰ, পৰিচালক অভিনেতা অসীম শৰ্মাক ডিব্ৰু সন্মান ২০২৬ প্ৰদান কৰিব। মাজুলী জিলাতো হেঁপাহৰ বিহুটিক আদৰিবলৈ ৰাইজে ব্যাপক প্ৰস্তুতি চলাইছে। জিলাখনৰ ভকত চাপৰিৰ ৰংমন বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত ঢোলবাদন আৰু কৰ্মশালাৰ আজি সামৰণি পৰে। ধেমাজি জিলাতো বিহুলৈ এদিন থকা অৱস্থাত ঢোল-পেপা গগনাৰ শব্দই চৌদিশ মুখৰ কৰি তুলিছে। ধেমাজি নগৰৰ সমীপৱৰ্তী বামগাঁৱৰ বোৱাৰীসকলেও বিহুৰ আখৰাত ব্যস্ত হৈ পৰিছে। তদুপৰি জা-জলপান পিঠা-পণা প্ৰস্তুত কৰি অতিথি আপ্যায়নৰ বাবে সাজু হৈছে।

কামৰূপ জিলাৰ বকোৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত অনুষ্ঠিত ১৩ দিনীয়া বিহু নৃত্য তথা ঢোলৰ প্ৰশিক্ষণ কাৰ্যসূচীত কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ দুশতকৈ অধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। ২৩ গৰাকী প্ৰশিক্ষকে অংশগ্ৰহণকাৰীসকলক এই প্ৰশিক্ষণ দিয়ে।

গোৱালপাৰা জিলাতো ৰঙালী বিহু উপলক্ষে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ শ'লমাৰীত তিনিদিনীয়াকৈ অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলাখনত বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু পালনৰ বাবে সাজু হৈছে। মুকলি পথাৰত বাগৰুম্বাৰ অন্তিম আখৰাত তেওঁলোক ব্যস্ত হৈ পৰিছে। খাম আৰু চিফুঙৰ শব্দত অঞ্চলটো মুখৰ হৈ পৰিছে।

মিউজিক (বাগৰুম্বা)

ৰাজ্যৰ ঠায়ে ঠায়ে জীয়ৰী-বোৱাৰীসকলে বিহুৰ বাবে পিঠাপনা, জা-জলপানৰ যোগাৰ সম্পূৰ্ণ কৰিছে। গুৱাহাটী মহানগৰীত নেডফিহাট, লক্ষীধৰ বৰা ক্ষেত্ৰৰ উপৰি ৰাজ্যখনৰ বিভিন্ন স্থানত বিহু উপলক্ষে বিপণী মুকলি কৰা হৈছে। এই মেলাত পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিপণীৰ ব্যৱস্থা কৰা হৈছে। বিহুৰ পূৰ্বে আজি দেওবাৰে মহানগৰীৰ ফাঁচী বজাৰত বিৰ দি বাট নোপোৱা পৰিৱেশৰ সৃষ্টি হয়। নতুন কাপোৰ ক্ৰয় কৰাৰ বাবে বিপণীয়ে বিপণীয়ে অগণন গ্ৰাহকে ভিৰ কৰা পৰিলক্ষিত হয়। একেদৰে মহানগৰীৰ গণেশগুৰি,

পাণবজাৰ, মালিগাঁও, বামুণীমৈদাম, নাৰেংগী আদি স্থানসমূহৰ লগতে বিভিন্ন শ্বপিং মলসমূহতো গ্ৰাহকৰ ভিৰ দেখা যায়। বহিঃৰাজ্যৰ যন্ত্ৰচালিত তাঁতশালৰ গামোচা কোনো অসাধু ব্যৱসায়ীয়ে যাতে বিক্ৰী কৰিব নোৱাৰে তাৰবাবে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বজাৰসমূহত সতৰ্ক দৃষ্টি ৰাখিছে। আমবাৰীৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প সঞ্চালকালয়ৰ চৌহদত থলুৱা শিল্পীয়ে বোৱা গামোচা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। মহানগৰীৰ ঠায়ে ঠায়ে দিয়া আত্মসহায়ক গোটসমূহৰ গামোচাৰ বিপণীতো গ্ৰাহকৰ যথেষ্ট ভিৰ দেখা গৈছে।

ooooo

কোকৰাঝাৰ জিলাৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰত আজিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাওখুংগ্ৰী মহোৎসৱ অনুষ্ঠিত হৈছে। এই উৎসৱৰ অংশ হিচাপে বাওখুংগ্ৰী পাহাৰ বগোৱা প্ৰতিযোগিতা, চাইক্লিং, পেৰাগ্লাইদিং, এয়াৰ বেলুন উৰুৱা, খাদ্য মহোৎসৱ আৰু বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিটিচিৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধীৰাজ বৰগয়াৰীয়ে এই মহোৎসৱৰ উদ্বোধন কৰে।

(বাইট)

উৎসৱৰ সৈতে সংগতি ৰাখি বড়ো জনগোষ্ঠীৰ থলুৱা খেল ধেমালীৰ লগতে বৈসাগু আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ দিহা কৰা হৈছে। উল্লেখযোগ্য যে বড়ো জনগোষ্ঠীৰ নৱবৰ্ষৰ উৎসৱ বৈশাগু বা ৰঙালী বিহুৰ পূৰ্বে জনগোষ্ঠীটোৱে এই বাওখুংগ্ৰী পাহাৰ বগোৱা উৎসৱৰ আয়োজন কৰে। পৰম্পৰাগত বিশ্বাস অনুসৰি এই পাহাৰ বগাই শীৰ্ষলৈ গৈ ইষ্ট দেৱতাৰ আৰাধনা কৰাৰ দ্বাৰা বছৰটোলৈ অসুখ, অশান্তি, আৰু দুৰ্ভাগ্য নাশ হয়। ২০১৩ চনৰ পৰা বিটিচিৰ পৰ্যটন বিভাগে এই উৎসৱৰ আয়োজন কৰি ইয়াৰ অংশ হিচাপে দুঃসাহসিক ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে।

ooooo

ৰঙালী বিহুৰ সৈতে সংগতি ৰাখি মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ কৰ্তৃপক্ষ তথা এছ এছ বিৰ ২৭ নম্বৰ বেটেলিয়ন আৰু অসম আৰক্ষীৰ যৌথ উদ্যোগত আজি ভাৰত-ভূটান সীমান্ত এলেকাৰ বাক্সাৰ দাওধাৰাৰ পৰা ভূটানৰ নাংলামৰ প্ৰৱেশদ্বাৰলৈ মাৰাথান দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিশ্ব স্বাস্থ্য দিৱস উদযাপনৰ অংশ হিচাপে আয়োজিত এই মাৰাথন দৌৰ প্ৰতিযোগিতাত ডেৰ শতাধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ডং চি ৰমেশে এই কাৰ্যসূচী মুকলি কৰি কয়, যে ইয়াৰ জৰিয়তে মানাহ ব্যাঘ্ৰ প্ৰকল্প সন্দৰ্ভত সামাজিক সজাগতা গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

ooooo

গুৱাহাটীৰ পাণবজাৰ আৰক্ষীয়ে নিৰ্বাচনী আচৰণবিধি ভংগৰ অভিযোগত মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীক আজি সোধাপোছা কৰে। প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনৰ সময়ত আচৰণবিধি ভংগ কৰা বুলি এজন লোকে পাণবজাৰ থানাত এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত পাণবজাৰ আৰক্ষীয়ে আজি পুৱাৰ ভাগত থানাত হাজিৰ হ'বলৈ কুংকি চৌধুৰীলৈ জাননী জাৰি কৰিছিল। আৰক্ষীয়ে তেওঁক প্ৰায় দুঘণ্টা সময় সোধাপোছা কৰে। অৱশ্যে সংবাদমাধ্যমৰ আগত এ জে পিৰ প্ৰাৰ্থীগৰাকীয়ে নিৰ্বাচনী বিধি উলংঘনৰ অভিযোগ নস্যাৎ কৰে।

ooooo

কাছাৰ জিলাৰ শিলচৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলত আজি দুপৰীয়াৰ ভাগত অহা প্ৰবল ধুমুহা-বৰষুণত বিস্তৰ ক্ষয়ক্ষতিৰ বাতৰি পোৱা গৈছে। ধুমুহাত শিলচৰ চহৰৰ বিভিন্ন ঠাইত ভালেসংখ্যক গছ উভালি পৰাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি যোৱাৰ ফলত বহুকেইটা অঞ্চলত দীৰ্ঘসময় ধৰি বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। বহু পুৰণি বৃহৎ গছ উভালি পৰাৰ ফলত পথ বন্ধ হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি হয়।

পৰিস্থিতি স্বাভাৱিক কৰাৰ বাবে কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জৰুৰীকালীন সেৱা আগবঢ়াইছে বুলি আমাৰ শিলচৰৰ সংবাদদাতাই জনাইছে। জিলাখনত আজি পুৱাৰ ভাগত চাৰি দশমিক তিনি প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণিও অনুভূত হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ লক্ষ্ণৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে গুজৰাট টাইটানছক জয়ৰ বাবে ১৬৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ এইডেন মাৰক্ৰামে সৰ্বাধিক ৩০ ৰান কৰে। গুজৰাটৰ হৈ প্ৰসিদ্ধ্ কৃষ্ণাই চাৰিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত গুজৰাটে বাতৰি যুগুতোৱাৰ পৰলৈ ১৫ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ১৩৬ ৰান সংগ্ৰহ কৰি খেলি আছে।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত মুম্বাই ইণ্ডিয়ানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগলুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত